**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 12**-07-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***
***:::::::::::::::::::::::::::::::::::::***

ৰাজ্যৰ বান পৰিস্থিতি ক্ৰমাৎ উন্নত হ'লেও বৰ্তমানেও ২৬খন জিলাৰ প্ৰায় ১৪ লাখ লোক বানৰ কবলত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জনোৱা তথ্য অনুসৰি এতিয়াও ৮৩টা ৰাজহ চক্ৰৰ দুহেজাৰ ৫৪৫ খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ৩৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। শেহতীয়া বানত ৮৪ জন লোকে প্ৰাণ হেৰুৱাইছে।

ৰাজ্য চৰকাৰে ২৯৯টা আশ্ৰয় শিবিৰত ৪১ হাজাৰতকৈ অধিক লোকে আশ্ৰয় লৈ আছে। এন ডি আৰ এফ, এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱক সকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰনে প্ৰকাশ কৰা মতে, নগাঁও জিলাৰ বান পৰিস্থিত জটিল হৈ আছে। জিলাখনত ২০ হাজাৰ ৬১২টি শিশুসহ প্ৰায় ৭৯ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। বাঢ়নী পানীয়ে নগাঁও জিলাৰ ৬টা ৰাজহ চক্ৰৰ অধীনৰ ১৮৪ খন গাঁও আৰু ১৮ হাজাৰ ২৩১ দশমিক ৮ হেক্টৰ কৃষিভূমি বুৰাই পেলাইছে।

এইবেলি বানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ১০টা গঁড় সহ ১৭৪টা জীৱ-জন্তুৰ প্ৰাণ হানি হৈছে। উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ৰাষ্ট্ৰীয় উদ্যানখনৰ সামগ্ৰিক বান পৰিস্থিত ক্ৰমাৎ উন্নত হৈছে যদিও ৪৬টা বন শিৱিৰ আৰু উদ্যানখনৰ ভালেমান অংশ বানত বুৰ গৈ আছে।

ইপিনে জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি পশ্চিম কাৰ্বি আংলং জিলাৰ টুম্পেঞ্চত জিলাখনৰ বান, খহনীয়া প্ৰতিৰোধৰ বাবে ল'বলগীয়া ব্যৱস্থাসমূহৰ বিষয়ে পৰ্যালোচনা কৰে। জিলাখনত বান-খহনীয়া ৰোধৰ বাবে বৈঠালাংছ' সমন্বিত বাৰিষা শেষ হোৱাৰ লগে লগে ১৫ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই সন্দৰ্ভত অনুষ্ঠিত বৈঠকত কপিলী আৰু বৰাপানীত নিৰ্মাণ হ'বলগীয়া মথাউৰিৰ পৰ্যালোচনা কৰা হয়। বৈঠকত কাৰ্বি স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ লগতে সাংসদ অমৰছিং তিছ', বিধায়কদ্বয় ৰূপছিং টেৰন আৰু দৰছিং ৰংহাং উপস্থিত থাকে।

মন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও আজি ধেমাজি জিলাৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ জয়ৰামপুৰ গাঁও পঞ্চায়তত উপস্থিত হৈ বান পৰিস্থিতিৰ বুজ লয়। গেৰমে নৈৰ বানে ক্ষতিগ্ৰস্ত কৰা জিলাখনৰ মধ্য মিংমাং গাঁও পঞ্চায়তত উপস্থিত হৈ বান পৰিস্থিতিৰ বুজ লয়।

00000000

উত্তৰ-পূবক দেশৰ উন্নয়নৰ দুৱাৰমুখ হিচাপে অভিহিত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশেষ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূব উন্নয়ন দপ্তৰৰ ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি গুৱাহাটীত প্ৰকাশ কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ অহা কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী শ্ৰী সিন্ধিয়াই বৰঝাৰৰ গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা ছিলং অভিমুখে যাত্ৰা কৰিছে। মেঘালয়ৰ ৰাজধানী ছিলঙলৈ যোৱাৰ পূৰ্বে বিমান বন্দৰত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, বিকশিত ভাৰত আৰু

বিকশিত পূৰ্বোত্তৰৰ ভৱিষ্যদৰ্শী আঁচনিৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে উন্নয়নমূলক পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জনাই যে কেন্দ্ৰই ড'নাৰ মন্ত্ৰালয়ৰ বাজেট আৱণ্টন ২৪ হাজাৰ কোটিৰ পৰা প্ৰায় ৮২ হাজাৰ কোটিলৈ বৃদ্ধি কৰিছে। তেওঁ কয় যে উত্তৰ-পূব হৈছে আমাৰ  পুৰণি সংস্কৃত আৰু সংস্কাৰৰ ভঁৰাল। কেন্দ্ৰীয় চৰকাৰে আন্তঃগাঠনি, সংযোগ, স্বাস্থ্যসেৱা, শিক্ষা, ষ্টাৰ্টআপ, উদ্যোগীকৰণ আৰু পৰ্যটন উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।   কাইলৈ মন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ নেডফি হাউচ পৰিদৰ্শন কৰি বিষয়াসকলৰ সৈতে উদ্যোগীকৰণ আৰু ষ্টাৰ্টআপক অধিক প্ৰসাৰিত কৰাৰ উপায়ৰ বিষয়ে আলোচনা কৰিব। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভ্ৰমণৰ সময়ছোৱাত ড'নাৰ মন্ত্ৰালয়ৰ বিষয়াবৰ্গ, উত্তৰ-পূব পৰিষদ আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব। মন্ত্ৰীগৰাকীয়ে NERACE শীৰ্ষক এটা এপ্লিকেচন মুকলি কৰাৰ লগতে উত্তৰ-পূব পৰিষদৰ অন্য বিষয়াবৰ্গৰ সৈতে মত বিনিময় কৰিব।

০০০০০০০০

শিৱসাগৰ জিলাৰ ৰাজমাইত আজি জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱে ভূমি আৰু কৃষি সামগ্ৰীৰ এটি পৰীক্ষাগাৰ মুকলি কৰে। জিলা কৃষি বিভাগৰ উদ্যোগত স্থাপন কৰা এই পৰীক্ষাগাৰটোত মাটিৰ উৰ্বৰতা পৰীক্ষা, সাৰৰ উচিত প্ৰয়োগ আৰু মাটিৰ অৱনমন ৰোধ কৰিব পৰাৰ বাবে বিশেষ পৰীক্ষা কৰা হ'ব। এই পৰীক্ষাগাৰটোৰ ফলত জিলাখনৰ কৃষকসকলৰ এটা বহুদিনীয়া অভাৱ পূৰণ হোৱাৰ লগতে জিলাৰ কৃষকসকলক উপকৃত কৰিব বুলি আশা কৰা হৈছে।  আজিৰ অনুষ্ঠানত কৃষি বিষয়া, কৃষি বিজ্ঞান কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত কৃষি বিজ্ঞানী, কৃষি সহকাৰী সঞ্চালককে ধৰি বিভাগটোৰ ভালেসংখ্যক বিষয়া কৰ্মচাৰী উপস্থিত থাকে।

০০০০০০০০

মাজুলী জিলা প্ৰশাসনে জিলাখনত বানৰ পাছত হব পৰা সম্ভাব্য ৰোগৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ সতৰ্কতা অৱলম্বন কৰিছে। ইয়াৰ অংশ হিচাপে জিলাখনৰ বিভিন্ন ঠাইত জনসাধাৰণৰ সুৰক্ষাৰ  প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য শিবিৰৰ আয়োজন কৰিছে। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি জিলা স্বাস্থ্য বিভাগে প্ৰতিদিনে বিভিন্ন ঠাইত  আয়োজন কৰা স্বাস্থ্য শিবিৰত ভালেমান জনসাধাৰণৰ স্বাস্থ্য পৰীক্ষা  সম্পন্ন কৰিছে। ইয়াৰ উপৰিও ৰোগ প্ৰতিৰোধ সন্দৰ্ভত অৱগত  কৰাৰ বাবে জনসাধাৰণৰ মাজত বিশেষ সজাগতা সভাৰ আয়োজন কৰা হৈছে।

ইয়াৰ উপৰি বানত ক্ষতিগ্ৰস্ত জিলাখনৰ কৃষকসকলৰ প্ৰতি লক্ষ্য ৰাখি জিলা কৃষি বিভাগে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ২০২৪-২৫ৰ অধীনত সমূহীয়া কঠিয়াতলীৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপ জেংৰাই কৃষি চক্ৰৰ অধীনত এডৰা কঠিয়াতলীত আজি দুটা উন্নত প্ৰজাতিৰ অধিক উৎপাদনক্ষম ধানৰ বীজ সিঁচা হৈছে। আজি কঠিয়াসিঁচা কাৰ্যসূচীত জিলাৰ কৃষি বিভাগৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে।

০০০০০০০০

ঃসমাপ্তঃ